# অসম ওডিচ্চী

The Assam Odyssey ৰ অসমীয়া অনুবাদ
















১
অসমৰ ইতিহাস

২
অসমৰ সংস্কৃতি





৩
অসমৰ অৰ্থনীতি

৪
অসমৰ ৰাজনীতি

৫
অসমৰ ভূগোল

LUCENT IAS Institute of Advanced Studies

অসমৰ ইতিহাস ........ 11
অধ্যায় ১: অসমৰ প্ৰাক ইতিহাস ........ 11
অধ্যায় ২: পৌৰাণিক ইতিহাস ........ 18
অধ্যায় ৩ : প্ৰাচীন অসমৰ উৎসসমূহ........ 23
অধ্যায় ৪: বৰ্মন ৰাজবংশ ........ 34
অধ্যায় ৫ : শালস্তম্ভ বংশ (আ.৬৫০ - ৯০০ খ্ৰীষ্টাব্দ) ........ 40
অধ্যায় ৬ : কামৰূপৰ পাল বংশ ........ 44
অধ্যায় ৭ : মধ্যযুগীয় অসমৰ উৎসসমূহ........ 48
অধ্যায় ৮: অসমত মুছলমানৰ প্ৰাৰম্ভিক আক্ৰমণসমূহ (১২০৫-১৫৩৩ খ্ৰীঃ) ........ 53
অধ্যায় ৯ : কমতা ৰাজ্য ........ 57
অধ্যায় ১০ : কোচ ৰাজ্য........ 62
অধ্যায় ১১: আহোমসকলৰ উৎপত্তি আৰু কিছু সাধাৰণ তথ্য........ 67
অধ্যায় ১২: আহোম ৰজাসকলৰ কালক্ৰমিক বিৱৰণ ........ 74
অধ্যায় ১৩: মোৱামৰীয়া বিদ্ৰোহ (১৭৬৯–১৮০৫ খ্ৰীষ্টাব্দ)........111
অধ্যায় ১৪ : মানৰ আক্ৰমণ ( ১৮১৭-১৮২২) ........114
অধ্যায় ১৫: ব্ৰিটিছ-মানৰ প্ৰথম যুদ্ধ (১৮২৪-১৮২৬ খ্ৰীষ্টাব্দ) ........117
অধ্যায় ১৬ : আহোম ৰাজত্বকালৰ মুখ্য ব্যক্তিসকল........124
অধ্যায় ১৭ : আহোমৰ নীতি ........129
অধ্যায় ১৮: ৰাজকীয় ৰীতি-নীতি, পৰ্ব আৰু আহোম ৰাজতন্ত্ৰৰ সামাজিক অনুষ্ঠান ........139
অধ্যায় ১৯: কছাৰীসকল (ডিমাচা ৰাজ্য) ........142
অধ্যায় ২০: চুতীয়া ৰাজ্য ........146
অধ্যায় ২১: জয়ন্তীয়া ৰাজ্য ........149
অধ্যায় ২২: অসমত ব্ৰিটিছ ঔপনিবেশিক শাসনব্যৱস্থা........152
অধ্যায় ২৩: ঊনৈশ শতিকাৰ অসমত ভূমি সংস্কাৰ আৰু ভূমি ৰাজহ ব্যৱস্থাপনা ........157
অধ্যায় ২৪: ১৮২৬ৰ পাছত হোৱা অধিগ্ৰহণ ........162
অধ্যায় ২৫: অসমত ব্ৰিটিছ-বিৰোধী আন্দোলন........167

অধ্যায় ২৬: নৱজাগৰণ আৰু সাহিত্য....................................................................174
অধ্যায় ২৭: অসমত সংবাদপত্ৰৰ অৱদান ....................................................................179
অধ্যায় ২৮: অসমত ৰাজনৈতিক সংঘসমূহৰ উত্থান আৰু বিকাশ....................................................................186
অধ্যায় ২৯: বংগ আৰু অসমৰ বিভাজন ....................................................................195
অধ্যায় ৩০: অসমত অসহযোগ আন্দোলন ....................................................................199
অধ্যায় ৩১: অসমত আইন অমান্য আন্দোলন ....................................................................204
অধ্যায় ৩২:  অসমত অহিংস আন্দোলনৰ অন্তিম পৰ্ব (১৯৩৬–১৯৪৬) ....................................................................208
অধ্যায় ৩৩: স্বাধীনতা আন্দোলনত নাৰীৰ অংশগ্ৰহণ....................................................................215
অধ্যায় ৩৪: স্বাধীনতা সংগ্ৰামত অসমৰ ছাত্ৰসমাজৰ ভূমিকা ....................................................................219
অধ্যায় ৩৫: অসমৰ স্বাধীনতা সংগ্ৰামীসকল ....................................................................223
অসমৰ সংস্কৃতি ....................................................................228
অধ্যায় ১: অসমৰ সাংস্কৃতিক ইতিহাসৰ প্ৰাথমিক তথ্য ....................................................................228
অধ্যায় ২: অসমৰ নৃগোষ্ঠীয় উপাদান....................................................................236
অধ্যায় ৩: অসমৰ লোক সংস্কৃতি আৰু মৌখিক সাহিত্য....................................................................242
অধ্যায় ৪ : অসমৰ শিল্প আৰু উদ্যোগসমূহ ....................................................................247
অধ্যায় ৫: অসমৰ নৃত্যশৈলীসমূহ....................................................................255
অধ্যায় ৬: নাটক আৰু নাট্য পৰম্পৰা ....................................................................261
অধ্যায় ৭: অসমীয়া চলচ্চিত্ৰৰ বিকাশ....................................................................265
অধ্যায় ৮: নৱ বৈষ্ণৱ ধৰ্ম ....................................................................268
অধ্যায় ৯: অসমৰ ভাস্কৰ্য শিল্প....................................................................285
অধ্যায় ১০ : অসমৰ মন্দিৰ স্থাপত্যকলা....................................................................292
অধ্যায় ১১: যুগান্তৰৰ মাজেৰে অসমীয়া সাহিত্য ....................................................................299
অধ্যায় ১২: আধুনিক অসমীয়া সংগীত....................................................................318
অধ্যায় ১৩: অসমৰ চিত্ৰকলা....................................................................327
অধ্যায় ১৪: অসমৰ বিশিষ্ট সাহিত্যিক আৰু তেওঁলোকৰ কৰ্মৰাজী ....................................................................332
অধ্যায় : ১৬ অসমৰ নৃতাত্ত্বিক দৃশ্যপট....................................................................342

অসমৰ অৰ্থনীতি....................................................................................................350

প্ৰথম অধ্যায়: অসমৰ অৰ্থনীতিৰ সংক্ষিপ্ত বিৱৰণ....................................................................350

অধ্যায় ২ : অসম অৰ্থনৈতিক সমীক্ষা ২০২৪-২৫....................................................................359

অধ্যায় ৩: অসমৰ মানৱ উন্নয়ন ...............................................................................................402

অধ্যায় ৪: অসম বাজেট ২০২৫-২৬ ...........................................................................................416

অধ্যায় ৫: অসম ৰাজহ দায়বদ্ধতা আৰু বাজেট পৰিচালনা (AFRBM) আইন, ২০০৫ ..........................427

ষষ্ঠ অধ্যায়: মুদ্ৰাস্ফীতি, দাৰিদ্ৰ্য আৰু সংস্থাপনহীনতা (অসম)......................................................438

অধ্যায় ৭: অসমত প্ৰত্যক্ষ বিদেশী বিনিয়োগ..............................................................................453

অধ্যায় ৮: অসমৰ পৰা ৰপ্তানি ..................................................................................................456

অধ্যায় ৯: অসম ৰাজ্যিক গ্ৰাম্য জীৱিকা অভিযান (ASRLM)........................................................466

অধ্যায় ১০: অসমত গুৰুত্বপূৰ্ণ খনিজ, বিৰল মৃত্তিকা উপাদান আৰু ছেমিকণ্ডাক্টৰ খণ্ড ...........................469

অধ্যায় ১১: অসমত ঔদ্যোগিক বিকাশ .......................................................................................474

অধ্যায় ১২: অসমৰ পৰ্যটন খণ্ড ................................................................................................482

অধ্যায় ১৩: অসমৰ চাহ উদ্যোগ ..............................................................................................489

অসমৰ ৰাজনীতি ...................................................................................................................494

অধ্যায় ১: অসম প্ৰদেশৰ গঠন..................................................................................................494

অধ্যায় ২: স্বাধীনতা পৰ্যন্ত প্ৰশাসনিক পৰিৱৰ্তন.............................................................................501

অধ্যায় ৩: ভাৰতীয় সংবিধান নিৰ্মাণত অসমীয়া লোকৰ অৱদান ......................................................505

অধ্যায় ৪: অসম প্ৰদেশ আৰু ৰাজ্যিক বিধানসভাৰ অধ্যক্ষসকল.....................................................509

অধ্যায় ৫: অসমৰ প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীসকল.........................................................................512

অধ্যায় ৬: অসম বিধানসভাৰ উপাধ্যক্ষসকল ..............................................................................516

অধ্যায় ৭: ভাষা আন্দোলন আৰু অসম আন্দোলন ........................................................................518

অধ্যায় ৮: ষষ্ঠ অনুসূচী আৰু পাহাৰত স্বায়ত্তশাসনৰ আন্দোলন.......................................................525

অধ্যায় ৯: গুৱাহাটী উচ্চ ন্যায়ালয় .............................................................................................537

অধ্যায় ১০: অসমত পঞ্চায়তী ৰাজ ব্যৱস্থা...................................................................................541

অধ্যায় ১১: অসম পঞ্চায়ত (সংশোধনী) আইন, ২০২৩....................................................................546

অধ্যায় ১২: অসমৰ ৰাজনৈতিক ব্যৱস্থাৰ লেছেৰি বোটলা ....................550
অধ্যায় ১৩: অসম ৰাজ্যিক বিধানসভা ....................566
অসমৰ ভূগোল....................588
অধ্যায় : ১ অসমৰ ভূ-প্ৰকৃতি ....................588
অধ্যায়: ২ অসমৰ জলবায়ু....................598
অধ্যায়: ৩ অসমৰ মৃত্তিকা....................600
অধ্যায় : ৪ অসমৰ কৃষি ....................604
অধ্যায়: ৫ অসমৰ নদী প্ৰণালী ....................608
অধ্যায় : ৬ অসমৰ খনিজ সম্পদ ....................630
অধ্যায় : ৭ অসমৰ জনগাঁঠনি....................639
অধ্যায় : ৮ অসমৰ বনাঞ্চল....................643
অধ্যায়: ৯ অসমৰ পৰিৱেশ ....................658

# অধ্যায় ৩ : প্ৰাচীন অসমৰ উৎসসমূহ

## প্ৰাচীন অসমৰ ইতিহাসৰ উৎসসমূহ

### *১. সাহিত্যিক উৎস*

| প্ৰকাৰ | সবিশেষ তথ্য |
|---|---|
| প্ৰাথমিক আৰু পৰৱৰ্তী ব্ৰাহ্মণ গ্ৰন্থসমূহ | ▪ শতপাঠ ব্ৰাহ্মণত আৰ্যসকল সদানীৰা নদী (বৰ্তমানৰ কৰতোয়া নদী) পৰ্যন্ত অগ্ৰসৰ হোৱাৰ উল্লেখ পোৱা যায়। এই নদীক প্ৰাগজ্যোতিষৰ পশ্চিম সীমা হিচাপে গণ্য কৰা হৈছিল।<br>▪ ঐতৰেয় ব্ৰাহ্মণত উল্লেখ আছে যে আৰ্য সংস্কৃতি পূবলৈ আগুৱাই কামৰূপ অঞ্চললৈকে প্ৰসাৰিত হৈছিল।<br>▪ গোপাঠ ব্ৰাহ্মণত "কামৰূপ" নামৰ উৎপত্তিৰ বিৱৰণ দিয়া হৈছে, যাৰ মাধ্যমেৰে আৰ্য আৰু অনাৰ্য সমাজৰ প্ৰাৰম্ভিক সম্পৰ্কৰ সূচনা হোৱা বুলি জনা যায়।<br>▪ গৃহসূত্ৰ আৰু ধৰ্মসূত্ৰ (খ্ৰীষ্টপূৰ্ব ৭০০ – খ্ৰীষ্টাব্দ ২০০)ত প্ৰাচীন ভাৰতীয় সমাজ আৰু ৰাজনৈতিক জীৱনৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য পোৱা যায়।<br>▪ পাণিনি আৰু পতঞ্জলিৰ গ্ৰন্থত পূব ভাৰতৰ ভূগোল আৰু সংস্কৃতিৰ পৰোক্ষ উল্লেখ দেখা যায়।<br>▪ শাঙ্খায়ন গৃহসংগ্ৰহত প্ৰাগজ্যোতিষক "সূৰ্যোদয়ৰ দেশ" বুলি বৰ্ণনা কৰা হৈছে।<br>▪ কৌটিল্যৰ অৰ্থশাস্ত্ৰত সুবৰ্ণকুণ্ড আৰু পাৰলৌহিত্য নামৰ স্থানৰ উল্লেখ আছে, যিয়ে এই অঞ্চলৰ অৰ্থনৈতিক গুৰুত্ব আৰু সম্পদ সূচায়। |
| মহাকাব্য আৰু শাস্ত্ৰীয় সংস্কৃত গ্ৰন্থসমূহ | ▪ ৰামায়ণত প্ৰাগজ্যোতিষৰ প্ৰতিষ্ঠাতা হিচাপে অমূৰ্তৰাজৰ উল্লেখ পোৱা যায় আৰু বৰাহ পৰ্বতৰ ওপৰত নৰকৰ নগৰৰ বৰ্ণনা আছে।<br>▪ মহাভাৰতত প্ৰাগজ্যোতিষ, নৰক, ভগদত্ত আৰু কিৰাত, চীন আদি জাতিৰ উল্লেখ আছে, যাৰ জৰিয়তে অসম ভাৰতীয় মহাকাব্যিক জগতৰ সৈতে সংযুক্ত হৈ পৰে।<br>▪ বৃহৎসংহিতা (বৰাহমিহিৰ, খ্ৰীষ্টীয় ৫ম শতিকা)ত প্ৰাগজ্যোতিষ আৰু লৌহিত্যৰ নাম মগধ, চীন, আৰু কম্বোজৰ সৈতে একেলগে উল্লেখ কৰা হৈছে, যিয়ে এই অঞ্চলৰ ভৌগোলিক গুৰুত্ব সূচায়।<br>▪ মনু, যাজ্ঞবল্ক্য আৰু কামাণ্ডকৰ স্মৃতিসমূহে প্ৰাচীন কামৰূপৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য প্ৰদান কৰে।<br>▪ কালিদাসৰ ৰঘুবংশম (খ্ৰীষ্টীয় ৫ম শতিকা)ত প্ৰাগজ্যোতিষ আৰু কামৰূপ দুয়োখনক ব্ৰহ্মপুত্ৰৰ পুবফালে অৱস্থিত বুলি উল্লেখ কৰা হৈছে, অৱশ্যে ইয়াৰ ঐতিহাসিক মূল্য সীমিত।<br>▪ দণ্ডীৰ দশকুমাৰচৰিত (খ্ৰীষ্টীয় ৬ষ্ঠ শতিকা)ত বিদেহ আৰু কামৰূপৰ মাজত বৈবাহিক সম্পৰ্কৰ উল্লেখ পোৱা যায়।<br>▪ বাণভট্টৰ হৰ্ষচৰিত (খ্ৰীষ্টীয় ৭ম শতিকা) ভাস্কৰবৰ্মনৰ ৰাজত্বকালৰ কথা প্ৰকাশ কৰা এক প্ৰধান উৎস। গ্ৰন্থখনত সমকালীন ৰাজনৈতিক আৰু সাংস্কৃতিক অৱস্থাৰ বিশদ বৰ্ণনা পোৱা যায়। |

# অধ্যায় ১৪ : মানৰ আক্ৰমণ ( ১৮১৭-১৮২২)

## পৃষ্ঠভূমি আৰু আক্ৰমণৰ পূৰ্বাভাস

- মোৱামৰীয়া বিদ্ৰোহ আৰু এলানি আভ্যন্তৰীণ বিদ্ৰোহৰ পিছত আহোম ৰাজ্য যথেষ্ট দুৰ্বল হৈ পৰিছিল।
- প্ৰধানমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে ৰাজ্যখনত স্থিৰতা পুনৰুদ্ধাৰ কৰিবলৈ আৰু আহোম শাসন পুনৰ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল তথাপিও ৰাজনৈতিক মতভেদ অন্ত পৰা নাছিল।
- আনহাতে, গুৱাহাটীৰ তত্বধাৰক বদন চন্দ্ৰ বৰফুকন পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ বৰ্ধিত প্ৰভাৱক লৈ চিন্তিত হৈ পৰিছিল।
- ক্ষমতাৰ অপব্যৱহাৰৰ সন্দেহত পূৰ্ণানন্দ বুঢ়াগোঁহাইয়ে বদন চন্দ্ৰক গ্ৰেপ্তাৰ কৰিবলৈ মহেশ্বৰ পৰ্বতীয়া ফুকনক পঠিয়াইছিল।
- বদন চন্দ্ৰৰ জীয়ৰী আৰু বুঢ়াগোঁহাইৰ বোৱাৰী পিজৌ গাভৰুৱে তেওঁৰ পিতৃক এই গ্ৰেপ্তাৰৰ বিষয়ে সতৰ্ক কৰি দিছিল।

### *বদন চন্দ্ৰৰ পলায়ন আৰু সহায়ৰ বাবে অনুৰোধ*

- বদন চন্দ্ৰই ইংৰাজৰ অধীনত থকা বংগলৈ পলাই গৈছিল, কিন্তু চিলমাৰীত তেওঁক কিছু সময়ৰ বাবে বন্দী কৰিবলৈ সক্ষম হৈছিল যদিও এজন স্থানীয় বিষয়াৰ সহায়ত তেওঁ পুনৰ পলাই যাবলৈ সক্ষম হয়।
- বদন চন্দ্ৰই গৱৰ্ণৰ-জেনেৰেল লৰ্ড হেষ্টিংগক কলিকতাত সাক্ষাৎ কৰি পূৰ্ণানন্দ বুঢ়াগোঁহাইক ক্ষমতাৰ পৰা আঁতৰাবলৈ সহায় বিচাৰিছিল।
- গৱৰ্ণৰ-জেনেৰেলে আন এখন ৰাজ্যৰ অভ্যন্তৰীণ বিষয়ত হস্তক্ষেপ নকৰাৰ ব্ৰিটিছ নীতিৰ কথা উল্লেখ কৰি তেওঁৰ অনুৰোধ প্ৰত্যাখান কৰিছিল।
- কলিকতাত, বদন চন্দ্ৰই মানদেশৰ ৰজা বদৌপায়াৰ এজন দূতক লগ পায়, যিজনে তেওঁক আভালৈ (বাৰ্মালৈ) লৈ যায় আৰু ৰজাৰ সৈতে এক সাক্ষাৎকাৰৰ ব্যৱস্থা কৰিছিল।
- তাতেই, বদন চন্দ্ৰই আহোম প্ৰধানমন্ত্ৰীক  অত্যাচাৰী বুলি অভিযোগ কৰিছিল আৰু অসমত বাৰ্মাৰ হস্তক্ষেপৰ বাবে অনুৰোধ জনাইছিল।

### *মানৰ প্ৰথম আক্ৰমণ ( ১৮১৭)*

**অংশগ্ৰহণকাৰী সকল:**

- **আহোম পক্ষ:** চন্দ্ৰকান্ত সিংহ, পূৰ্ণানন্দ বুঢ়াগোহাঁই, ৰুচিনাথ বুঢ়াগোহাঁই।
- **মানৰ পক্ষ:** ৰজা বদৌপায়া, সেনাপতি ভামো, বদন চন্দ্ৰ বৰফুকন।

**ঘটনা প্ৰৱাহ :**

- প্ৰথম বাৰ্মিজ সৈন্যদলটো প্ৰায় ৮,০০০ সৈনিকৰ সৈতে ১৮১৬ চনৰ শেষৰ ফালে অসমত প্ৰৱেশ কৰিছিল।
- মুংকং, হুকং আৰু মণিপুৰৰ সেনাপতি সকলে মানৰ সৈতে যোগদান কৰিছিল ফলত নামৰূপত সেনাৰ সংখ্যা ১৬,০০০ লৈ বৃদ্ধি হৈছিল।
- ঘিলাধাৰীত ২৭ মাৰ্চ, ১৮১৭ চনত এখন যুদ্ধ হৈছিল য'ত আহোমসকল পৰাজিত হৈছিল।
- এই অভিযানৰ সময়তে পূৰ্ণানন্দ বুঢ়াগোঁহাইৰ মৃত্যু হয় (কিছুমান সূত্ৰত তেওঁ আত্মহত্যা কৰাৰ কথা উল্লেখ আছে )।

# অধ্যায় ১৬ : আহোম ৰাজত্বকালৰ মুখ্য ব্যক্তিসকল

## আতন বুঢ়াগোহাঁই (১৬৬২–১৬৭৯ খ্ৰীষ্টাব্দ)

### *পৰিচয়*

- আতন বুঢ়াগোহাঁয়ে ১৬৬২ চনৰ পৰা ১৬৭৯ চনলৈ সেৱা আগবঢ়াইছিল। তেওঁ মোগলৰ অসম আক্ৰমণ আৰু আভ্যন্তৰীণ ৰাজনৈতিক অস্থিৰতাৰ সময়ত অসমৰ সুৰক্ষাৰ হেতু গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

### *উপাধি আৰু পদ*

- তেওঁ বুঢ়াগোহাঁই (প্ৰধান মন্ত্ৰী) আৰু ১৬৬৪ চনৰ পাছত ৰাজমন্ত্ৰী ডাঙৰীয়া উপাধি লাভ কৰিছিল।
- **পৰামৰ্শদাতা আৰু সেনাপতি**ৰ দ্বৈত দায়িত্ব পালন কৰি তেওঁ ৰাজনীতি আৰু সামৰিক নেতৃত্বত সমানে পাৰদৰ্শিতা প্ৰদৰ্শন কৰিছিল।

### *মূল অৱদানসমূহ*

- **অসমৰ প্ৰতিৰক্ষা:** মিৰ জুমলা আৰু অম্বৰৰ ৰাজা ৰাম সিংহৰ নেতৃত্বত হোৱা মোগল আক্ৰমণৰ বিৰুদ্ধে আহোমক নেতৃত্ব দিছিল।
- **শান্তি আলোচনা:** ১৬৬৩ চনৰ সন্ধিৰ মুখ্য আলোচক হিচাপে দায়িত্ব পালন কৰি মোগলৰ সাময়িক ভূমি দখলৰ পাছতো শান্তি স্থাপন কৰিছিল।
- **পুনৰ নিৰ্মাণ:** মোগল আক্ৰমণৰ পাছত গাঁও, বাসস্থানসমূহ আৰু দুৰ্গ পুনৰ নিৰ্মাণ কৰি ব্ৰহ্মপুত্ৰৰ কাষে কাষে প্ৰতিৰক্ষামূলক ব্যৱস্থা গঢ়ি তুলিছিল।
- **দুবাৰকৈ সিংহাসন নাকচ:** তেওঁ দুবাৰকৈ ৰজা হোৱাৰ প্ৰস্তাৱ নাকচ কৰিছিল। এই সিদ্ধান্তৰ জৰিয়তে তেওঁ **ৰাজসিংহাসন ৰাজবংশৰ অধীনত থাকিব লাগে** বুলি বুজাইছিল।
- **কূটনৈতিক কৌশল:** মোগল আক্ৰমণ প্ৰতিৰোধৰ বাবে **কোচবিহাৰ, জয়ন্তীয়া আৰু কাছাৰ**ৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল।

### *মুখ্য যুদ্ধ আৰু ঘটনাসমূহ*

**১. মিৰ জুমলাৰ আক্ৰমণ (১৬৬২)**

- প্ৰাৰম্ভিক অৱস্থাত মোগল আগ্ৰাসন ৰোধ কৰাত সক্ষম নহ'লেও, পাছত গেৰিলা যুদ্ধনীতিৰ জৰিয়তে শত্ৰুক ব্যতিব্যস্ত কৰি শেষত তেওঁলোকক পিছু হুহকিবলৈ বাধ্য কৰিছিল।

**২. ১৬৬৩ চনৰ সন্ধি**

- শান্তিৰ চৰ্ত নিৰ্ধাৰণত অংশ লৈছিল। গুৱাহাটী আৰু কামৰূপ মোগলক গতাবলগীয়া হৈছিল যদিও **অসমৰ স্বাধীনতা ৰক্ষা** পৰিছিল।

**৩. গুৱাহাটী পুনৰুদ্ধাৰ (১৬৬৭)**

- তেওঁৰ কৌশলী পৰিকল্পনাৰ বাবেই আহোমসকলে **মোগলৰ হাতৰ পৰা গুৱাহাটী পুনৰ উদ্ধাৰ** কৰে।

**৪. শৰাইঘাটৰ যুদ্ধ (১৬৭১)**

# অধ্যায় ১৮: ৰাজকীয় ৰীতি-নীতি, পৰ্ব আৰু আহোম ৰাজতন্ত্ৰৰ সামাজিক অনুষ্ঠান

## ৰাজাভিষেক পৰ্ব (শিঙৰী ঘৰ উৎসৱ):

### *ৰীতিগত শোভাযাত্ৰা আৰু প্ৰতীক*

- আহোম ৰজাই হেংদাং (বংশীয় তৰোৱাল) আৰু সোমদেউৰ চিত্ৰ (আহোমৰ ভগৱান) কঢ়িয়াইছিল।
- ৰজাই পাগুৰীত ময়ূৰৰ পাখি (জেওকুকুৰা) গুজি লৈছিল আৰু দঁতাল হাতীত উঠি চৰাইদেউলৈ শোভাযাত্ৰা কৰিছিল। পিছে পিছে মাখুন্দীত উঠি ৰাণী গৈছিল যিয়ে লিংগ সমতা প্ৰতিফলিত কৰিছিল।

### *চৰাইদেউত পবিত্ৰ কৰ্ম:*

- ৰজাই এটা আহত গছৰ পুলি ৰোপণ কৰিছিল, যি ধৰ্মপৰায়ণতা আৰু ৰাজশাসনৰ স্থায়িত্বৰ প্ৰতীক।
- পাটঘৰৰ ভিতৰৰ দক্ষিণাৱৰ্ত শঙ্খৰ পবিত্ৰ পানীৰে শুদ্ধি কৰা হৈছিল।

### *পবিত্ৰ উৎসৰ্গা আৰু অঙ্গীকাৰ:*

- হোলং ঘৰত এজন জীৱিত মানুহ আৰু প্ৰাণীৰ ওপৰত ৰজা-ৰাণী বহিছিল, যিয়ে সমস্ত প্ৰাণিকূলৰ উপৰত আধিপত্য সূচাইছিল।
- পাছলৈ হিন্দু পৰম্পৰাৰ পৰা প্ৰভাৱিত হৈ ৯ তীৰ্থৰ পানী ঢলা হৈছিল।
- ৰুদ্ৰ সিংহৰ দিনত পুৰণি নৰবলিৰ সলনি ম'হ বলি দিয়া হৈছিল।

### *স্থাপন আৰু উদযাপন :*

- ৰজা-ৰাণীক সিংহাসনত বহুৱাই প্ৰীতি সম্ভাষণ, উপহাৰ, উচৰ্গা আদি আগবঢ়োৱা হৈছিল।
- নতুন মুদ্ৰা প্ৰচলন কৰা হৈছিল আৰু ৰাজন্যবৰ্গ আৰু বিজ্ঞসকলক বটা-বাহন দিয়া হৈছিল।
- তাৰ পাছত ৩০ দিনীয়া উৎসৱ আয়োজন কৰা হৈছিল। এই উৎসৱত কৰতলীয়া ৰজা আৰু সাধাৰণ জনতাই অংশ লৈছিল।

## ৰিকখভান পৰ্ব:

- অৰ্থ: টাই শব্দ ৰিক (পুনৰুদ্ধাৰ) আৰু খভান (জীৱন)।
- ৰাজাভিষেক, বিজয় উৎসৱ অথবা মহামাৰী বা দৈৱ সংকেত লাভৰ সময়ত আয়োজিত।
- ৰীতিগত বৈশিষ্ট্য:
  - সম্পূৰ্ণ ৰাজকীয় সাজৰ সৈতে স্বৰ্গদেউ উচ্চ আসনত বহিছিল।

# অধ্যায় ২৭: অসমত সংবাদপত্ৰৰ অৱদান

## পটভূমি

- অসমত সংবাদপত্ৰৰ বিকাশৰ মুখ্য কাৰণ আছিল **পশ্চিমীয়া শিক্ষা** আৰু **ইংৰাজী ধ্যান-ধাৰণা**ৰ প্ৰসাৰৰ লগতে ১৮৪০ত আধুনিক ছপাযন্ত্ৰৰ প্ৰচলন।
- এই নতুনত্বসমূহৰ যোগেদি পৰ্যায়ক্ৰমে অসমৰ বৌদ্ধিক জীৱনৰ পৰিৱৰ্তন সাধন হ'ল। এক সচেতন ৰাজহুৱা চক্ৰৰ জন্ম হ'ল যিয়ে **সাহিত্যিক জাগৰণ আৰু ৰাজনৈতিক চেতনাৰ** যোগসূত্ৰ স্থাপন কৰিলে।
- **১৯২০** আৰু **১৮৪০ৰ** মাজত মিছনেৰী প্ৰকাশনৰ পৰা জাতীয়তাবাদী সাংবাদিকতালৈ আৰু সাংস্কৃতিক গোটৰ পৰা ৰাজনৈতিক সংস্থালৈ অসমত এক স্থিৰ বিকাশ দেখিবলৈ পোৱা গৈছিল। ইয়াৰ ফলত ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ অংশগ্ৰহণৰ পটভূমি গঠন হ'ল।

## অসমত সংবাদপত্ৰৰ উদ্ভৱ আৰু বিকাশ

### *মুদ্ৰণ যন্ত্ৰৰ আগমণ আৰু অসমীয়া সাংবাদিকতাৰ জন্ম*

- **১৮৪০** চনত **আমেৰিকান বেপ্টিষ্ট মিছনেৰী**য়ে শিৱসাগৰত প্ৰথম ছপাশাল স্থাপন কৰিছিল; যি অসমৰ বৌদ্ধিক ইতিহাসত এক যুগান্তকাৰী ঘটনা আছিল।
- এই ছপাশালৰ পৰাই **১৮৪৬** চনত **'অৰুনোদই'** নামৰ প্ৰথম অসমীয়া মাহেকীয়া আলোচনী প্ৰকাশ পায়, যাক অসমত সাংবাদিকতাৰ বাটকটীয়া বুলি গণ্য কৰা হয়।
- আলোচনীখনত ধৰ্ম, বিজ্ঞান, ভূগোল আৰু সাধাৰণ জ্ঞানৰ ওপৰত প্ৰবন্ধ প্ৰকাশ পাইছিল। সততে অনূদিত কৰ্ম যেনে আহোম আৰু চুতীয়া বুৰঞ্জীসমূহ প্ৰকাশ পাইছিল।
- ১৮৬৭-৬৮ চনৰ ভিতৰত 'অৰুনোদই'ৰ **৭০০**ৰো অধিক গ্ৰাহক হৈছিলগৈ, যি সেই সময়ৰ জোখত বৃহৎ সংখ্যা আছিল। **১৮৮২** চনত মিছন প্ৰেছ বিক্ৰী হোৱালৈকে কাকতখনৰ প্ৰচলন অব্যাহত আছিল।
- 'অৰুনোদই' ইমানেই জনপ্ৰিয় আছিল যে বহু দশকলৈ গাঁৱৰ মানুহে যিকোনো বাতৰিকাকতক "অৰুনোদই" বুলি সম্বোধন কৰিছিল।

### *প্ৰাৰম্ভিক পত্ৰিকা আৰু বাতৰিকাকত (১৮৭০-১৮৮০ দশক)*

- ১৯শ শতিকাৰ অন্তিম ভাগত বহু ক্ষণস্থায়ী অথচ অগ্ৰণী সংবাদপত্ৰ প্ৰকাশ পায়।
- শিৱসাগৰৰ আউনিআটী সত্ৰৰ ধৰ্মপ্ৰকাশ প্ৰেছৰ পৰা প্ৰকাশিত **আসাম বিলাসিনী (১৮৭১)ত** মূলত ধৰ্মীয় বিষয় সন্নিৱিষ্ট হৈছিল যদিও তথ্যপূৰ্ণ বিষয়ো প্ৰকাশ পাইছিল।
- **আসাম মিহিৰ (১৮৭২)** আছিল প্ৰথম অসমীয়া সাপ্তাহিক কাকত; গুৱাহাটীৰ পৰা প্ৰকাশিত; দ্বিভাষিক (বঙালী আৰু ইংৰাজী)।
- **আসাম দৰ্পণ (১৮৭৪), গোৱালপাৰা হিতসাধিনী (১৮৭৬), চন্দ্ৰোদয় (১৮৭৬) আৰু অসম দীপিকা (১৮৭৬)**ত সামাজিক আৰু সাংস্কৃতিক বিষয় সাঙুৰি লোৱা হৈছিল। কিন্তু গ্ৰাহকৰ অভাৱ আৰু আৰ্থিক বাধাৰ বাবে শীঘ্ৰে প্ৰচলন বন্ধ হয়।
- এইবোৰ কাকতে উত্তৰ মিছনেৰী যুগত আঞ্চলিক সংযোগ আৰু সজাগতাৰ প্ৰতি থকা আকাংক্ষা প্ৰতিফলিত কৰিছিল।

# অধ্যায় ৩৩: স্বাধীনতা আন্দোলনত নাৰীৰ অংশগ্ৰহণ

## অসহযোগ আন্দোলনত নাৰীৰ অংশগ্ৰহণ (১৯২০–২২)

- মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলনে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ জলচ্ছেদ প্ৰতিনিধিত্ব কৰিছিল। আন্দোলনটোত ভাৰতীয় নাৰীসকলে ঘৰৰ চাৰিবেৰৰ *ঠেক* গণ্ডীৰ পৰা ওলাই আহি ব্যাপক হাৰত ৰাষ্ট্ৰীয় আন্দোলনত অংশগ্ৰহণ কৰিছিল।
- গান্ধীৰ স্বৰাজ আৰু স্বদেশীৰ আহ্বানে নাৰীৰ ওপৰত, বিশেষকৈ মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত পৰিয়ালৰ নাৰীসকলৰ ওপৰত গভীৰ মুক্তিকামী প্ৰভাৱ বিস্তাৰ কৰিছিল। সেইসকল নাৰী তেতিয়ালৈকে সক্ৰিয় ৰাজনীতিৰ পৰিসীমাৰ বাহিৰত আছিল।
- অসমত সামাজিক ৰক্ষণশীলতা আৰু পিতৃতান্ত্ৰিক মানসিকতাৰ বাবে প্ৰথমতে ৰাজনীতিত নাৰীৰ মুক্ত অংশগ্ৰহণ খুবেই সীমিত আছিল। কিন্তু গান্ধীৰ আহ্বান আৰু অসম প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ কাৰ্যকলাপসমূহে শিক্ষিত নাৰীসকলক পৰ্যায়ক্ৰমে স্বাধীনতা সংগ্ৰামত যোগদান কৰিবলৈ উৎসাহিত কৰিলে।
- অগ্ৰণী অসমীয়া নাৰী যেনে বিদ্যুৎপ্ৰভা দেৱী, গিৰিজা দেৱী (তৰুণৰাম ফুকনৰ বিধবা ভগ্নী), হেমন্তকুমাৰী দেৱী (নবীনচন্দ্ৰ বৰদলৈৰ পত্নী), ধৰ্মদা সুন্দৰী দেৱী, নলিনীবালা দেৱী, গুণেশ্বৰী দাস, চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু পুষ্পলতা দাসে নাৰীসকলক পথ প্ৰদৰ্শন কৰিছিল।
- এইসকলৰ অধিকাংশই শিক্ষিত, চহৰীয়া আৰু ৰাজনৈতিকভাৱে সজাগ তথা কংগ্ৰেছ নেতৃবৰ্গৰ সৈতে সম্পৰ্ক থকা পৰিয়ালৰ আছিল। তেওঁলোকে গাঁও আৰু চহৰ উভয়তে সভা-সমিতি আয়োজন কৰি অসহযোগ, স্বদেশী, জাতীয় শিক্ষা আৰু যঁতৰৰ ধাৰণা প্ৰচাৰ কৰিছিল।
- মহিলাসকলে সংগঠন গঢ়িছিল, প্ৰচাৰপত্ৰ বিলাইছিল আৰু আন মহিলাক গঠনমূলক কাৰ্যসূচীত চামিল হোৱাৰ বাবে উৎসাহিত কৰিছিল। তেওঁলোকৰ অংশগ্ৰহণ কেৱল প্ৰতীকী অৰ্থতে সীমাবদ্ধ নাছিল। তেওঁলোকে পুঁজি সংগ্ৰহ কৰিছিল, কংগ্ৰেছ স্বেচ্ছাসেৱী শিবিৰ পৰিচালনা কৰিছিল আৰু সামূহিক যঁতৰ ঘূৰোৱা অভিযান আয়োজন কৰিছিল।
- এই সময়ছোৱাত অসমত মহিলাসকলক বৰকৈ গ্ৰেপ্তাৰ কৰা হোৱা নাছিল। কিন্তু তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণে নতুন জাগৰণ সৃষ্টি কৰিছিল, যিয়ে পৰৱৰ্তী আন্দোলনসমূহত তেওঁলোকক অধিক উগ্ৰ ৰূপ ধাৰণ কৰিবলৈ সাজু কৰিছিল।
- ১৯২১ চনৰ জুলাই মাহত গান্ধীৰ অসম ভ্ৰমণে মহিলাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত নতুন গতিৰ সঞ্চাৰ কৰিছিল। তেওঁৰ বাৰ্তাই সমাজৰ সকলো স্তৰৰ মহিলাক প্ৰভাৱিত কৰিছিল। কেৱল সম্ভ্ৰান্ত ঘৰৰ মহিলাকে নহয়, প্ৰান্তীয় আৰু শ্ৰমিক শ্ৰেণীৰ মহিলাকো উৎসাহিত কৰিছিল।
- এটা উল্লেখযোগ্য উদাহৰণ হ'ল চাহ শ্ৰমিক তথা মদপী **মুংগ্ৰী।** তেওঁ গান্ধীৰ পৰা অনুপ্ৰাণিত হৈ মদ্যপান ত্যাগ কৰি মাদকদ্ৰব্য বিৰোধী পিকেটিঙত যোগদান কৰিছিল। তেওঁ অসমৰ প্ৰথম মহিলা শ্বহীদ। মাদকদ্ৰব্য বেচা দোকানত পিকেটিং কৰা সময়ত লগা সংঘৰ্ষত তেওঁৰ মৃত্যু হৈছিল।
- আন এক উদাহৰণ **ভানুমতী তালুকদাৰ**, কামৰূপৰ গোদাবৰীৰ তিনি সন্তানৰ মাতৃ তথা গৃহিণী। তেওঁ ঘৰুৱা দায়িত্ব ত্যাগ কৰি পূৰ্ণকালীন কংগ্ৰেছ স্বেচ্ছাসেৱিকা হয়গৈ। গাঁওবাসীয়ে তেওঁক মৰমতে *ভলেণ্টাৰণী বাই* বুলি মাতিছিল আৰু স্বয়ং গান্ধীয়ে তেওঁক *অসমৰ সৰোজিনী* বুলি সম্বোধন কৰিছিল।
- গোলাঘাটৰ মিচিং জনজাতীয় মহিলা **প্ৰমিলা মেডকে** নিজ সমুদায়ৰ ভৎসৰ্ণা সহ্য কৰিও আন্দোলনত যোগদান কৰে।

- **গুপ্তমণি (মাধৱদেৱৰ ৰচনা):** চিত্ত আৰু প্ৰকৃতিৰ আন্ত:সম্পৰ্ক অন্বেষণ; প্ৰাক-মনোবৈজ্ঞানিক আৰু পৰিস্থিতিবিজ্ঞানৰ চেতনাৰ আভাস ফুটি উঠে।

## *গ) ৰজা নৰনাৰায়ণৰ অধীনৰ কোচ যুগ (১৫৪০-১৫৮৭ খ্ৰী.)*

**সাহিত্যিক পৃষ্ঠপোষকতা**

- ৰজা নৰনাৰায়ণ আৰু তেওঁৰ ভ্ৰাতৃ চিলাৰায়ৰ অধীনত কোচ ৰাজবংশত সাহিত্যিক আৰু সাংস্কৃতিক নৱজাগৰণ দেখা পোৱা গৈছিল।
- তেওঁলোকৰ ৰাজসভাই সংস্কৃত আৰু মাতৃভাষাৰ শিক্ষা উভয়ৰে প্ৰচাৰ কৰিছিল; বেনাৰস আৰু বংগৰ বিদ্বানক আমন্ত্ৰণ জনাইছিল।
- বিশিষ্ট কবিসকলক বিদ্যাবাগীশ, কবিৰত্ন আৰু কবীন্দ্ৰ উপাধি দিয়া হৈছিল।

**প্ৰধান পণ্ডিত আৰু তেওঁলোকৰ কৃতিত্ব**

| পণ্ডিত | মূল অৱদান |
|---|---|
| পীতাম্বৰ সিদ্ধান্তবাগীশ | মাৰ্কণ্ডেয় পুৰাণ, ভাগৱত পুৰাণৰ দশম স্কন্ধৰ অনুবাদ; দণ্ডকৌমূদী, আচাৰ কৌমূদি আদি ১৮টা কৌমূদিৰ সংকলন কৰে। |
| কবিৰাম সৰস্বতী | মহাভাৰতৰ ৩০,০০০ শ্লোক অনুবাদ; ব্যাধচৰিত, ভীমচৰিত ৰচনা; গীতগোবিন্দৰ অনুবাদ। |
| অনন্ত কন্দলি | সাৱিত্ৰী উপাখ্যান, হৰিহৰ যুদ্ধ, কুমাৰ হৰণ কাব্য, শ্ৰীৰাম কীৰ্তন ৰচনা; ৰাজসূয় পৰ্ব অনুবাদ। |
| সাৰ্বভৌম ভট্টাচাৰ্য | পদ্ম পুৰাণৰ অনুবাদ; গুৰুচৰিত (শংকৰদেৱৰ জীৱনী) ৰচনা। |
| কলপচন্দ্ৰ দ্বিজ | ভাগৱতৰ ৪ৰ্থ আৰু ৬ষ্ঠ স্কন্ধৰ অনুবাদ; ৰামায়ণ চণ্ডিকা ৰচনা। |

**ধৰ্মনিৰপেক্ষ সাহিত্য আৰু মুখ্য অৱদানকাৰীসকল**

| ক্ষেত্ৰ | গ্ৰন্থ | লেখক | বিশেষ বৈশিষ্ট্য |
|---|---|---|---|
| গণিত, ভূমিমাপন, হিচাপৰক্ষা | কিতাবত মঞ্জুৰী | বকুল কায়স্থ | লীলাৱতীৰ ওপৰত আধাৰিত; গণিত আৰু ভূমিৰাজহ ব্যৱস্থাপনাৰ ব্যৱহাৰিক প্ৰয়োগ। |
| জ্যোতিষশাস্ত্ৰ | সাধ্যখণ্ড | শ্ৰীধৰ | জ্যোতিষশাস্ত্ৰ আৰু জ্যোতিৰ্বিজ্ঞান বিষয়ক; ব্যৱহাৰিক পঞ্জিকাশ্ৰয়ী গণনা। |
| গণিত, জ্যোতিষশাস্ত্ৰ, ঋতুস্ৰাৱ | জ্যোতিষ চুড়ামণি | চুড়ামণি | বহু-বিষয়ক গ্ৰন্থ; প্ৰায় ১৫৬০ খ্ৰী.ত ৰচনা। |
| জীৱনী (চৰিতপুথি) | গুৰুচৰিত | ভূষণ দ্বিজ | শংকৰদেৱৰ জীৱনীমূলক গ্ৰন্থ; সাহিত্যিক আৰু ঐতিহাসিক বৰ্ণনাৰ মিশ্ৰণ। |
| জীৱনী (চৰিতপুথি) | গুৰুলীলা | ৰামৰায় | দামোদৰদেৱৰ জীৱনী; চিলাৰায়ৰ শহুৰৰ দ্বাৰা ৰচিত। |
| চিত্ত আৰু প্ৰকৃতি | গুপ্তমণি | মাধৱদেৱ | মনোবিজ্ঞান আৰু প্ৰকৃতিৰ সম্পৰ্কৰ দাৰ্শনিক প্ৰতিফলন। |

## *আৱাহন যুগ (১৯২৯-১৯৪০ দশক): স্বাধীনতা আৰু সংস্কাৰমুখী সাহিত্য*

### ঐতিহাসিক প্ৰেক্ষাপট

- ভাৰতীয় স্বাধীনতা আন্দোলনৰ লগে লগে অসমীয়া সাহিত্যৰ প্ৰকৃতি ক্ৰমান্বয়ে ৰাজনৈতিক আৰু জাতীয়তাবাদী হ'ব ধৰে।
- *আৱাহন* (১৯২৯) আলোচনী গান্ধীবাদী আদৰ্শ আৰু দেশপ্ৰেমেৰে উদ্বুদ্ধ সাহিত্যিকসকলৰ কেন্দ্ৰস্থলত পৰিণত হয়।

### মূল সাহিত্যিক আৰু কৃতি

- **অম্বিকাগিৰী ৰায়চৌধুৰী:** *অসম কেশৰী* নামে খ্যাত; তেওঁৰ *কাৰা-সংগীতত* বিপ্লৱী জাতীয়তাবাদ আৰু আত্মত্যাগ প্ৰতিফলিত হয়।
- **জ্যোতিপ্ৰসাদ আগৰৱালা:** অসমৰ মূল সাংস্কৃতিক প্ৰতীক; স্বদেশপ্ৰেমমূলক গীত ৰচনা কৰিছিল আৰু প্ৰথম অসমীয়া চলচ্চিত্ৰ *জয়মতী* (১৯৩৫) প্ৰকাশ কৰিছিল।
- **নবীনচন্দ্ৰ বৰদলৈ আৰু অমিয় কুমাৰ দাস:** সমাজ-সংস্কাৰ, শিক্ষা আৰু স্বাৱলম্বিতা বিষয়ক সাহিত্য ৰচনা।

### সাহিত্যিক বৈশিষ্ট্য

- জাতীয়তাবাদৰ সৈতে মানৱতাবাদৰ সংমিশ্ৰণ।
- কবিতা আৰু নাটক জনসাধাৰণক জাগ্ৰত কৰা আৰু নৈতিক আধাৰ পুন:স্থাপনৰ মাধ্যম হৈ পৰিছিল।
- প্ৰতিবাদ, সমতা আৰু আশাবাদৰ চেতনাই সাহিত্যিক সুৰ নিয়ন্ত্ৰণ কৰিছিল।

## *জয়ন্তী-সুৰভি যুগ (১৯৪০-১৯৫০ৰ দশক): বাস্তৱবাদ আৰু প্ৰগতিশীল সাহিত্য*

### প্ৰেক্ষাপট

- দ্বিতীয় বিশ্বযুদ্ধ, শৰণাৰ্থীৰ সমস্যা আৰু সামাজিক-আৰ্থিক বিপৰ্যয়ে অসমীয়া সাহিত্যক গভীৰভাবে প্ৰভাৱিত কৰে।
- লেখকসকলে বাস্তৱ-জীৱনৰ সংগ্ৰাম বেছিকৈ ফুটাই তুলিবলৈ আৰম্ভ কৰিছিল; যিয়ে **ৰমন্যাসবাদৰ** পৰা **প্ৰগতিশীল বাস্তৱবাদ**লৈ পৰিৱৰ্তন সূচায়।

### উল্লেখযোগ্য সাহিত্যিক আৰু বিষয়বস্তু

- **হেম বৰুৱা-** কবি আৰু আধুনিক সমালোচক; সমাজ-সংস্কাৰ আৰু আশাবাদৰ ওপৰত গুৰুত্ব আৰোপ।
- **অমূল্য বৰুৱা, কেশৱ মহন্ত, অমৃত মহন্ত আৰু মহেশ্বৰ নেওগ:** যুদ্ধ, বিতাড়ণ, ক্ষুধা আৰু নৈতিক সংকটৰ বিষয়ে লিখা-মেলা কৰে।
- **অতুলচন্দ্ৰ হাজৰিকা আৰু প্ৰবীণ ফুকন:** বাস্তৱবাদী সামাজিক আৰু ঐতিহাসিক নাটকৰ আৰম্ভণি কৰে।

### সাহিত্যিক মঞ্চসমূহ

- *ৰামধেনু* আৰু *পছোৱা* আদি আলোচনীয়ে নতুন লেখক আৰু সম্পৰীক্ষামূলক শৈলীৰ উদ্ভৱত উৎসাহ যোগায়।
- সাহিত্যত **মাৰ্ক্সবাদী, মানৱতাবাদী আৰু মনোবৈজ্ঞানিক** বিষয়বস্তু সোমায়, উত্তৰ স্বাধীনতা কালৰ ভাৰতৰ সামাজিক বাস্তৱতাৰ প্ৰতিফলন ঘটে।

- "অসমৰ নাইটিংগেল" খ্যাত দীপালী বৰঠাকুৰে তেওঁৰ আইকনিক কণ্ঠৰ জৰিয়তে অসমীয়া আধুনিক গীতক এক কোমল, হৃদয়স্পৰ্শী মাত্ৰা প্ৰদান কৰিছিল।
- ৰুদ্ৰ বৰুৱাই "দুখৰ ৰাতিটো কেতিয়া পুৱাব", "চিলিমিলি টোপনিত কোনে আহি মাতিলে" আৰু "অ' টুলটুল অ' বুলবুল"ৰ দৰে চিৰসেউজ গীতেৰে অমূল্য অৱদান আগবঢ়াইছিল।
- অসমীয়া চলচ্চিত্ৰত ব্ৰজেন বৰুৱাৰ সংগীত পৰিচালনাই (পিয়লী ফুকন, ডা: বেজবৰুৱা) চিনেমা সংগীতক অসমীয়া আধুনিক সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংগ হিচাপে গঢ়ি তুলিছিল
- এই সময়ছোৱাত অল ইণ্ডিয়া ৰেডিঅ' গুৱাহাটী অসমীয়া গীত প্ৰচাৰৰ কেন্দ্ৰীয় প্ৰতিষ্ঠান হৈ পৰিছিল; যাৰ ফলত উদীয়মান সংগীতজ্ঞ আৰু গীতিকাৰসকলৰ বাবে এক মঞ্চ সৃষ্টি হৈছিল।

## সমসাময়িক আৰু শেষ-আধুনিক পৰ্যায় (১৯৮০ৰ পৰা ২০০০ৰ দশক)

- বিংশ শতিকাৰ পাছৰ দশকসমূহত অসমীয়া সংগীতে ফিউজন, পপ আৰু সম্পৰীক্ষাৰ জৰিয়তে প্ৰসাৰ লাভ কৰে।
- খগেন মহন্ত আৰু কেশৱ মহন্তৰ দৰে কিংবদন্তি লোকশিল্পীসকলে "দিক ধৱলী বৰণ", "মোৰ যে কিমান হেঁপাহ" আৰু "বুকুত এজাক ধুমুহা"ৰ দৰে গীতৰ জৰিয়তে অসমীয়া সংস্কৃতিৰ শিপা মজবুত কৰিছিল।
- তফজ্জুল আলি, লক্ষ্যহীৰা দাস আৰু ৰমেন বৰুৱাই আধুনিক ৰোমাণ্টিক আৰু চিনেমেটিক গীতিবাদৰ সূচনা কৰিছিল।
- ১৯৯০ৰ দশকত অসমীয়া এলবামসমূহত পশ্চিমীয়া অনুপ্ৰেৰণাৰে উদ্বুদ্ধ অৰ্কেষ্ট্ৰেচন ব্যৱহাৰৰ ক্ষেত্ৰত জিতুল সোণোৱাল আছিল অগ্ৰণী। ইয়াৰ জৰিয়তে আধুনিক অসমীয়া পপ সংগীতৰ আৰম্ভণি হয়।
- জুবিন গাৰ্গে 'অনামিকা' আৰু 'গানে কি আনে'ৰ দৰে এলবামৰ জৰিয়তে অসমীয়া সংগীত বহি:ৰাজ্যলৈ প্ৰসাৰিত কৰিছিল; জেজ, ৰক আৰু লোকসংগীতৰ মিশ্ৰণ ঘটাই অসমীয়া সংগীতক এক বিশ্ব-আবেদনময়ী ৰূপ দিছিল।
- অংগৰাগ মহন্ত (পাপন)-ই "জোনাকী ৰাতি", "ফাগুন" আৰু "মন মোৰ উদাস উদাস" আদি গীতেৰে সংযোজন আৰু আত্মাৰ এক নতুন নান্দনি অভিব্যক্তি কঢ়িয়াই আনিছিল।
- তৰালী শৰ্মা, মানস ৰবীন, অনুপম শইকীয়া আৰু প্ৰশান্ত বৰদলৈৰ দৰে সমসাময়িক শিল্পীসকলে চলচ্চিত্ৰ, টেলিভিছন আৰু ডিজিটেল মিডিয়া প্লেটফৰ্মৰ জৰিয়তে এই বিৱৰ্তন অব্যাহত ৰাখিছে।

## জুবিন গাৰ্গ আৰু অসমীয়া সংগীত উদ্যোগলৈ তেওঁৰ অৱদান

- জুবিন গাৰ্গ কেৱল এজন গায়ক তথা সুৰকাৰেই নহয়; তেওঁ এজন গীতিকাৰ, অভিনেতা, চলচ্চিত্ৰ নিৰ্মাতা আৰু সমাজকৰ্মীও। তেওঁৰ কৰ্মই মনোৰঞ্জনৰ ঊৰ্ধলৈ গৈ আধুনিক অসমৰ আত্মা আৰু বিবেকক মূৰ্ত কৰি তোলে।
- তেওঁৰ উত্থান ভাৰতীয় অৰ্থনীতিৰ উদাৰীকৰণ আৰু ডিজিটেল বিপ্লৱৰ সৈতে সমসাময়িক আছিল; যাৰ ফলত তেওঁ পৰম্পৰাগত অসমীয়া সংস্কৃতি আৰু একবিংশ শতিকাৰ আধুনিকতাৰ মাজৰ এক সেতু হৈ পৰিছিল।

| | | |
|---|---|---|
| ২৫ | সৌৰভ কুমাৰ চলিহা ( প্ৰকৃত নাম : সুৰেন্দ্ৰনাথ মেধি) | • **চুটি গল্প**<br>• গোলাম (সাহিত্য অকাডেমি বঁটা বিজয়ী, ১৯৭৪)<br>• অশান্ত ইলেক্ট্ৰন<br>• **প্ৰকাশভংগী:**<br>বাঁহী , ৰামধেনু , আৱাহনত প্ৰকাশিত |
| ২৬ | চন্দ্ৰ প্ৰসাদ শইকীয়া | • **উপন্যাস:**<br>• মহাৰথী ( সাহিত্য অকাডেমি বঁটা বিজয়ী গ্ৰন্থ, ১৯৯৫ : মহাভাৰতৰ কৰ্ণৰ ওপৰত আধাৰিত।<br>**সম্পাদক:** গৰীয়সী , The Assam Tribune |
| ২৭ | দেবেন্দ্ৰ নাথ আচাৰ্য | • **উপন্যাস:**<br>জংঘম (সাহিত্য অকাডেমি বঁটা বিজয়ী, ১৯৮৪)। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ম্যানমাৰৰ পৰা অসমলৈ পলাই অহা ভাৰতীয় সকলৰ যাত্ৰাৰ বৰ্ণনা কৰিছে। |
| ২৮ | ডং ইন্দিৰা গোস্বামী (মামণি-ৰয়চম গোস্বামী) (জ্ঞানপীঠ বঁটা,২০০০ চন) | **উপন্যাস:**<br>• মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস (সাহিত্য অকাডেমি, ১৯৮২): এটা বান্ধ নিৰ্মাণ স্থানৰ শ্ৰমিকসকলৰ সমস্যাসমূহৰ ওপৰত আধাৰিত।<br>• দঁতাল হাতীৰ উঁয়ে খোৱা হাউদা: এখন সত্ৰত উদাৰতাবাদ বনাম পৰম্পৰাবাদৰ আলোচনা ( উৎস: চলচ্চিত্ৰ অদাহ্য )।<br>• ছিন্নমস্তাৰ মানুহটো : কামাখ্যাত দিয়া পশু-বলিৰ সমালোচনা।<br>**আত্মজীৱনী:** আধা লেখা দস্তাবেজ |
| ২৯ | বীৰেন্দ্ৰ কুমাৰ ভট্টচাৰ্য (প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী, ১৯৭৯ চন) | • **উপন্যাস:**<br>• ইয়াৰুইঙ্গম (সাহিত্য অকাডেমি বঁটা বিজয়ী, ১৯৬১): মণিপুৰৰ টাংখুল নগা জনজাতিৰ ওপৰত আধাৰিত।<br>• মৃত্যুঞ্জয় (জ্ঞানপীঠ বঁটা বিজয়ী): ভাৰত ত্যাগ আন্দোলনৰ সময়ত হোৱা ১৯৪২ চনৰ পানিখাইটি ৰেল দুৰ্ঘটনাক লৈ ৰচিত।<br>ৰাজপথে ৰিঙিয়াই (১৯৫৭): স্বাধীনতাৰ পিছৰ ভাৰতৰ সামাজিক-ৰাজনৈতিক বিশ্লেষণ। |
| ৩০ | হোমেন বৰগোহাঞি | • **উপন্যাস:**<br>• পিতা পুত্ৰ (সাহিত্য অকাডেমি বঁটা বিজয়ী, ১৯৭৮): দুটা প্ৰজন্মৰ সংঘাতৰ মানসিক বিশ্লেষণ।<br>• হালধীয়া চৰায়ে বাওধান খায় : কৃষকৰ শোষণ বৰ্ণনা কৰা হৈছে (ৰাষ্ট্ৰীয় বঁটা বিজয়ী চলচ্চিত্ৰ)।<br>আত্মজীৱনী: আত্মানুসন্ধান<br>• আলোচনীৰ সম্পাদক: আমাৰ অসম, অসম বাণী, নীলাচল , নিয়মীয়া বাৰ্তা |
| | ডং ভবেন্দ্ৰ নাথ শইকীয়া | • **চলচিত্ৰ:** *সন্ধ্যা ৰাগ , অগ্নিস্নান , অনিৰ্বাণ, কোলাহল সাৰথি আৱৰ্তন, ইতিহাস (সকলো ৰজত কমল বঁটা প্ৰাপ্ত চলচিত্ৰ)*<br>• *চুটি* **গল্প** : শৃংখল ( সাহিত্য অকাডেমী প্ৰাপ্ত, ১৯৭৬) , প্ৰহৰী আৰু |

- অৰুণোদয় ৩.০ৰ আৰম্ভণিয়ে আধাৰ আৰু NFSA তথ্যৰ সৈতে সংযোগ স্থাপন কৰি আৰ্থিক অন্তৰ্ভুক্তি আৰু স্বচ্ছতা বৃদ্ধি কৰিছে।

## অসমৰ আকাংক্ষী জিলাসমূহ ( Aspirational Districts of Assam )

- তথ্য-ভিত্তিক, ফলাফল-কেন্দ্ৰিক দৃষ্টিভংগীৰে পিছপৰা জিলাসমূহৰ উন্নয়নৰ গতি বৃদ্ধি কৰাত গুৰুত্ব দিয়ে। ৪৯টা মূল কৃতকাৰ্যতা সূচক (KPI)ৰ উন্নতিৰ জৰিয়তে ভাৰতৰ ১১৫খন জিলা (অসমৰ সাতখন জিলাক সামৰি)ক ৰূপান্তৰিত কৰাৰ লক্ষ্য। পাঁচটা বিস্তৃত বিষয়বস্তু:
  - স্বাস্থ্য আৰু পুষ্টি
  - শিক্ষা
  - কৃষি আৰু জলসম্পদ
  - আৰ্থিক অন্তৰ্ভুক্তি আৰু দক্ষতা বিকাশ
  - ন্যূনতম অন্তঃগাঁঠনি
- অসমৰ আকাংক্ষী জিলাসমূহ: বাক্সা, বৰপেটা, দৰং, ধুবুৰী, গোৱালপাৰা, হাইলাকান্দি, আৰু ওদালগুৰি।
- অসম ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়ণ; নিয়মীয়া নিৰীক্ষণ আৰু কৃতকাৰ্যতাৰ ৰেংকিং ব্যৱস্থা।
- আকাংক্ষী জিলাসমূহৰ কৃতকাৰ্যতা (উন্নতিৰ শতাংশ)

| জিলা | ২০২০ | ২০২৩ |
|---|---|---|
| বাক্সা | ২২.৩৩ | ৩০.১৩ |
| বৰপেটা | ২৮.৪৭ | ৩৪.৭৪ |
| দৰং | ৩৫.৩৮ | ৪১.৪২ |
| ধুবুৰী | ২১.৯৫ | ২৮.০৩ |
| গোৱালপাৰা | ২৯ .৬৫ | ৩৭.৬৬ |
| হাইলাকান্দি | ২১.৬৩ | ২৪.১৯ |
| ওদালগুৰি | ২৩.৮২ | ২৮.৪৫ |

- **অনুমান:**
- ২০২০ চনৰ পৰা ২০২৩ চনৰ ভিতৰত অসমৰ সাতোখন আকাংক্ষী জিলাই মুখ্য উন্নয়ন সূচকসমূহত উল্লেখযোগ্য প্ৰগতি দেখুৱাইছে।
- দৰং (৪১.৪২%) আৰু গোৱালপাৰা (৩৭.৬৬%) জিলাৰ ক্ষেত্ৰত সৰ্বোচ্চ বৃদ্ধিৰ হাৰ দেখা গৈছে; যাৰ পৰা সুশাসন আৰু উন্নয়নমুখী মনোভাৱৰ ইংগিত পোৱা যায়।
- হাইলাকান্দি (২৪.১৯%) জিলাৰ অগ্ৰগতি তুলনামূলকভাৱে মন্থৰ হৈ আছে; যিয়ে লক্ষ্যভিত্তিক হস্তক্ষেপৰ প্ৰয়োজনীয়তাৰ কথা সূচায়।

- এই অংশীদাৰিত্ব **২০১১-১২** চনৰ **৩০.৭%**ৰ তুলনাত অলপ হ্ৰাস পাইছে।
- তথাপি, ই এতিয়াও ৰাষ্ট্ৰীয় গড় **২৯.৭%**ৰ তুলনাত অলপ বেছি।

## সেৱা খণ্ডত নিয়োগ অংশীদাৰিত্ব (২০২৩-২৪)

**গ্ৰাম্য – নগৰীয়া**

- গ্ৰাম্য: **২৫.৮%**
- নগৰীয়া: **৭১.০%**

**লিংগভিত্তিক**

- পুৰুষ: **৩৯.০%**
- মহিলা: **১৫.১%**

**খণ্ডভিত্তিক নিয়োগ অংশীদাৰিত্ব (ডায়েগ্ৰাম অনুসাৰে)**

| **খণ্ড** | **অংশীদাৰিত্ব (%)** |
|---|---|
| কৃষি | ৪৭.২ |
| সেৱা | ৩০.১ |
| নিৰ্মাণ | ১৩.০ |
| উৎপাদন | ৯.৩ |
| উপযোগী সেৱা | ০.৩ |
| খনন আৰু খননকাৰ্য | ০.২ |

**নিয়োগৰ সুযোগ সম্প্ৰসাৰণৰ বাবে পৰামৰ্শ**

- **মেট্ৰ'পলিছ নগৰীয়া শীতকালীন উৎসৱ** আদিৰ দৰে অধিক সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা আৰু কলা, হস্তশিল্প আৰু মিডিয়াৰ বাবে **সৃষ্টিশীল হাব** বিকশিত কৰা উচিত। ইয়াৰ ফলত স্থানীয় সংস্কৃতিৰ প্ৰচাৰ হ'ব আৰু অনুষ্ঠান ব্যৱস্থাপনা, আতিথ্য আৰু সৃষ্টিশীল খণ্ডত কৰ্মসংস্থানৰ সুযোগ বৃদ্ধি পাব।
- **কাজিৰঙা, মাজুলী** আদি অঞ্চলত পৰ্যটন আৰু পৰিবেশ-ভিত্তিক সেৱা ব্যৱহাৰ কৰি গ্ৰাম্য যুৱক-যুৱতীৰ বাবে নিয়োগৰ সুযোগ বৃদ্ধি কৰা।
- আঞ্চলিক সংযোগ উন্নত কৰা আৰু পৰিবহণ ব্যয় হ্ৰাস কৰাৰ বাবে **ডিব্ৰুগড়ত মাল্টি-মডেল লজিষ্টিক্স পাৰ্কৰ** বিকাশ ত্বৰাণ্বিত কৰা।

**উপ-খণ্ড অনুসাৰে সেৱা খণ্ডত নিয়োগ অংশীদাৰিত্ব (২০২৩-২৪)**

| **উপ-খণ্ড** | **নিয়োগ অংশীদাৰিত্ব (%)** |
|---|---|
| পাইকাৰী আৰু খুচুৰা ব্যৱসায় | ৪১.৭ |
| পৰিবহণ আৰু সংৰক্ষণ | ১৮.৮ |
| শিক্ষা | ১৩.০ |
| আবাস আৰু খাদ্য সেৱা | ৬.৪ |
| অন্যান্য সেৱা | ৩.৯ |
| ৰাজহুৱা প্ৰশাসন আৰু প্ৰতিৰক্ষা | ৩.৮ |

# অধ্যায় ৮: ষষ্ঠ অনুসূচী আৰু পাহাৰত স্বায়ত্তশাসনৰ আন্দোলন

## ঐতিহাসিক পটভূমি

- ষষ্ঠ অনুসূচীৰ ইতিহাস ১৮৭৪ চনৰ অনুসূচিত জিলা আইনত নিহিত হৈ আছে। ব্ৰিটিছ শাসনৰ অধীনত বলবৎ হোৱা এই আইনখনৰ জৰিয়তে অসমৰ পাৰ্বত্য অঞ্চলকে ধৰি ভাৰতৰ বহু অঞ্চলক পিছপৰা অঞ্চল হিচাপে চিহ্নিত কৰা হৈছিল। মূল ঔপনিবেশিক শাসনৰ পোনপটীয়া হস্তক্ষেপৰ পৰা ৰেহাই দি জনজাতীয় লোক আৰু তেওঁলোকৰ সাংস্কৃতিক ব্যৱস্থাসমূহক সুৰক্ষা দিবলৈ এই অঞ্চলসমূহ বিশেষ প্ৰশাসনিক ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা হৈছিল।
- ঔপনিৱেশিক কালত ব্ৰিটিছ প্ৰশাসনে স্বীকাৰ কৰিছিল যে উত্তৰ-পূবৰ পাৰ্বত্য জনজাতিসকলৰ অনন্য সামাজিক-সাংস্কৃতিক আৰু জাতিগত পৰিচয় আছে; যাৰ বাবে তেওঁলোকৰ পৰম্পৰা আৰু স্বায়ত্তশাসন সংৰক্ষণৰ বাবে বিশেষ শাসন ব্যৱস্থাৰ প্ৰয়োজন।
- স্বাধীন ভাৰতত এই পৃথকীকৃত প্ৰশাসনৰ নীতি সংবিধানৰ ২৪৪(২) অনুচ্ছেদৰ অধীনত অন্তৰ্ভুক্ত ষষ্ঠ অনুসূচীৰ জৰিয়তে সাংবিধানিকভাৱে অব্যাহত ৰখা হৈছিল। ই অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যৰ জনজাতীয় অঞ্চলসমূহৰ বাবে স্বতন্ত্ৰতা (autonony) আৰু স্ব-শাসন (self-governance) নিশ্চিত কৰাৰ লক্ষ্য লৈছিল।
- ষষ্ঠ অনুসূচীৰ কাঠামোটো গোপীনাথ বৰদলৈৰ সভাপতিত্বত গঠিত আৰু বৰদলৈ সমিতিৰ পৰামৰ্শৰ ওপৰত আধাৰিত আছিল। এই সমিতিখন অসমৰ জনজাতীয় অঞ্চলসমূহৰ বাবে প্ৰয়োজনীয় প্ৰশাসনিক ব্যৱস্থাসমূহ পৰীক্ষা কৰিবলৈ সংবিধান সভাই গঠন কৰি দিছিল।
- সমিতিৰ দৃষ্টিভংগী আছিল এই অঞ্চলসমূহক ভাৰতীয় সংঘৰ ভিতৰত পৰ্যাপ্ত স্ব-শাসনৰ ক্ষমতা প্ৰদান কৰা। লগতে তেওঁলোকৰ সুকীয়া সামাজিক, সাংস্কৃতিক আৰু ৰীতি-নীতিগত প্ৰতিষ্ঠানসমূহ সুৰক্ষিত কৰা।

### *উদ্দেশ্য আৰু লক্ষ্যসমূহ*

- ষষ্ঠ অনুসূচীৰ প্ৰাথমিক উদ্দেশ্য হৈছে শাসন ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণ আৰু প্ৰশাসন আৰু ন্যায়ৰ থলুৱা পৰম্পৰা প্ৰতিফলিত কৰা স্থানীয় স্ব-শাসনৰ প্ৰতিষ্ঠান সৃষ্টিৰ জৰিয়তে উত্তৰ-পূবৰ জনজাতীয় লোকসকলৰ সবলীকৰণ।
- ই জনজাতীয় সংস্কৃতি, ৰীতি-নীতি আৰু পৰম্পৰাসমূহ সুৰক্ষিত কৰিবলৈ আৰু বাহিৰা অজনজাতীয় লোক বা অৰ্থনৈতিক শক্তিৰ দ্বাৰা সেইবোৰৰ অৱক্ষয় বা শোষণ প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰে।
- এই অনুসূচীয়ে জনজাতীয় সমুদায়সমূহক তেওঁলোকৰ ভূমি, অৰণ্য, নদী, খনিজ পদাৰ্থ আৰু অন্যান্য প্ৰাকৃতিক সম্পদৰ ওপৰত নিয়ন্ত্ৰণ প্ৰদান কৰে। যাৰ ফলত তেওঁলোকৰ ৰীতি-নীতিগত আচাৰ অনুসৰি স্থানীয় সম্পদসমূহ পৰিচালনা আৰু ব্যৱহাৰ কৰাৰ অধিকাৰ সুনিশ্চিত হয়।
- পৰম্পৰাগত সামাজিক নীতি, ধৰ্মীয় আচাৰ-নীতি বা প্ৰথাগত অনুষ্ঠানসমূহ অক্ষুণ্ণ ৰাখি স্থানীয়ভাৱে লোৱা সিদ্ধান্তৰ জৰিয়তে অৰ্থনৈতিক উন্নয়নৰ সুবিধা কৰি দিয়াই হৈছে ইয়াৰ মূল লক্ষ্য।
- মূলত: ষষ্ঠ অনুসূচীয়ে বিষম যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ সাংবিধানিক চেতনা প্ৰতিফলিত কৰে; যি সংহতি আৰু স্বায়ত্তশাসনৰ মাজৰ ভাৰসাম্য বজাই ৰাখিবলৈ পৰিকল্পিত আৰু ভাৰতীয় সংঘৰ বৃহত্তৰ কাঠামোৰ ভিতৰত সাংস্কৃতিকভাৱে স্বতন্ত্ৰ সম্প্ৰদায়সমূহক স্ব-শাসনৰ সুযোগ দিয়ে।

# অধ্যায় ১১: অসম পঞ্চায়ত (সংশোধনী) আইন, ২০২৩

## পৰ্যালোচনা

অসম পঞ্চায়ত (সংশোধনী) আইন, ২০২৩-এ তৃণমূল পৰ্যায়ৰ গণতন্ত্ৰ শক্তিশালী কৰিবলৈ আৰু পঞ্চায়তী ৰাজ ব্যৱস্থাত স্বচ্ছতা, জবাবদিহিতা আৰু লিংগ সমতা নিশ্চিত কৰিবলৈ কেইবাটাও গাঁথনিগত আৰু পদ্ধতিগত সংস্কাৰ প্ৰৱৰ্তন কৰে।

ই অসম পঞ্চায়ত আইন, ১৯৯৪ সংশোধন কৰি সীমা নিৰ্ধাৰণ, সংৰক্ষণ, নিৰ্বাচন, অৰ্হতা, অযোগ্যতা আৰু প্ৰশাসনিক নিয়ন্ত্ৰণ সম্পৰ্কীয় নতুন বিধানসমূহ অন্তৰ্ভুক্ত কৰিছে।

## মুখ্য সংশোধনীসমূহ

### *অনুচ্ছেদ ৩ক - পঞ্চায়ত সমষ্টি পুনৰ নিৰ্ধাৰণ*

- প্ৰতিখন জিলাতে একোখন জিলা সমষ্টি পুনৰ নিৰ্ধাৰণ আয়োগ গঠন কৰা হ'ব।
- এই আয়োগে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সমষ্টিসমূহৰ আকাৰ নিৰ্ধাৰণ কৰিব।
- গঠন:
  - অধ্যক্ষ: জিলা আয়ুক্ত
  - সদস্য সচিব: জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া (CEO)
  - সদস্য: জিলা নিৰ্বাচনী বিষয়া

### *অনুচ্ছেদ ৪ক-৪গ - ৱাৰ্ড সভা গঠন আৰু বৈঠক*

- গাঁও পঞ্চায়তৰ প্ৰতিটো ৱাৰ্ডতে সেই ৱাৰ্ডৰ ভোটাৰ তালিকাত নাম থকা সকলো প্ৰাপ্তবয়স্কক লৈ এখন ৱাৰ্ড সভা থাকিব।
- বৈঠক:
  - বৈঠকসমূহ নিয়মীয়াকৈ অনুষ্ঠিত হ'ব, দুখন বৈঠকৰ মাজত ১২ মাহতকৈ অধিক ব্যৱধান থাকিব নোৱাৰিব।
  - সভা অনুষ্ঠিত কৰাৰ ৭ দিন আগতে জাননী জাৰী কৰিব লাগিব।
  - গাঁও পঞ্চায়তৰ সভাপতি বা সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা নিৰ্বাচিত এজন সদস্যই সভাত সভাপতিত্ব কৰিব।
- থুল (Quorum): মুঠ সদস্যৰ এক-দশমাংশ বা ৫০ জন ভোটাৰ, যিটো কম হয়।
- সু-পৰিচালনাৰ বাবে পঞ্চায়ত বিষয়াসকলে ৱাৰ্ড সভাৰ সদস্যসকলক সহায় কৰিব।

### *অনুচ্ছেদ ৬ - গাঁও পঞ্চায়তৰ গঠন*

- এখন গাঁও পঞ্চায়তত প্ৰত্যেক সমষ্টিৰ পৰা এজনকৈ মুঠ ১০ জন পোনপটীয়াকৈ নিৰ্বাচিত সদস্য থাকিব।

# অধ্যায় : ৬ অসমৰ খনিজ সম্পদ

**খনিজ পদাৰ্থ:** অসমত পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ, কয়লা, চুৰ্ণশিল আৰু আন বহুতো সৰু খনিজ সম্পদ যেনে: কোৱাৰ্টজাইট, চীনামাটি, পলসমাটি, পংক মণিক/ বোকামাটি (clay), ফেল্ডস্পাৰ, গ্ৰেনাইট আদিৰে ভৰপুৰ। পেট্ৰ'লিয়াম অন্বেষণ আৰু উৎপাদনৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে অগ্ৰণী ৰাজ্য।
**কয়লা:** কয়লা অসমৰ অন্যতম মুখ্য প্ৰাকৃতিক সম্পদ। অনুমান কৰা মতে অসমত মুঠ ৫২৫ নিযুত টন কয়লা আছে, যাৰ ভিতৰত ৪৬৫ নিযুত টন প্ৰামাণিক ভাণ্ডাৰ। অসমৰ কয়লাৰ কেলৰিফিক মান অধিক, ছাইৰ পৰিমাণ কম, ছালফাৰৰ শতাংশ বেছি আৰু অক্সিজেনৰ পৰিমাণ কম। ৰাসায়নিক গঠন আৰু ভৌতিক বৈশিষ্ট্যৰ ভিত্তিত অসমৰ কয়লাক উপ-বিটুমিনাছ শ্ৰেণীত ধৰা হৈছে।

**ভাৰতত প্ৰাপ্ত কয়লাৰ প্ৰকাৰ**

- **এনথ্ৰাচাইট:** এই প্ৰকাৰৰ কয়লাৰ মান সৰ্বোচ্চ; য'ত স্থিৰ কাৰ্বনৰ শতাংশ অধিক থাকে। ই কঠিন, ভংগুৰ, ক'লা আৰু উজ্জ্বল। জম্মু-কাশ্মীৰৰ অঞ্চলসমূহত এয়া কম পৰিমাণে পোৱা যায়।
- **বিটুমিনাছ:** এই প্ৰকাৰৰ কয়লা মজলীয়া মানৰ; যাৰ তাপীয় ক্ষমতা বেছি। ভাৰতত বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত ই আটাইতকৈ বেছি ব্যৱহৃত কয়লাৰ প্ৰকাৰ। বেছিভাগ বিটুমিনাছ কয়লা ঝাৰখণ্ড, উৰিষ্যা, পশ্চিম বংগ, ছত্ৰিশগড় আৰু মধ্যপ্ৰদেশত পোৱা যায়।
- **উপ-বিটুমিনাছ:** এই প্ৰকাৰৰ কয়লা ক'লা ৰঙৰ, অনুজ্জ্বল আৰু লিগনাইটতকৈ ইয়াৰ তাপীয় মান বেছি।
- **লিগনাইট:** এই প্ৰকাৰৰ কয়লাৰ মান সৰ্বনিম্ন; য'ত কাৰ্বনৰ পৰিমাণ আটাইতকৈ কম। ৰাজস্থান, তামিলনাডু আৰু জম্মু-কাশ্মীৰৰ অঞ্চলসমূহত ই উপলব্ধ।

১৮২৫ চনত ব্ৰিটিছ জৰীপকাৰী লেফটেনেণ্ট উইলকক্সে প্ৰথমে অসমত কয়লাৰ উপস্থিতি লিপিবদ্ধ কৰিছিল। ১৮২৮ চনত চি. এ. ব্ৰুছে প্ৰথম কয়লা খনন কৰিছিল। প্ৰথমতে ব্ৰিটিছ কৰ্তৃপক্ষই অসমৰ কয়লাৰ প্ৰতি কম আগ্ৰহী আছিল। চাহ খেতিৰ জনপ্ৰিয়তা, ৰে'লপথ সম্প্ৰসাৰণ আৰু ভাপইঞ্জিন চালিত নাওৰ জৰিয়তে যাতায়াত বৃদ্ধি পোৱাৰ লগে লগে কয়লাৰ চাহিদা বাঢ়িছিল। চাহ খেতিৰ লগত জড়িত অসম কোম্পানীয়ে নিজৰ প্ৰয়োজনৰ বাবে কয়লা আহৰণ কৰিবলৈ আৰম্ভ কৰিছিল। ১৮৮১ চনত অসম ৰে'লৰে এণ্ড ট্ৰেডিং কোম্পানী গঠন হোৱাত মাকুম অঞ্চলৰ কয়লা ক্ষেত্ৰসমূহ মুকলি হয়। গতিকে, অসমৰ কয়লা ক্ষেত্ৰসমূহৰ ব্যাপক বিকাশ ১৮৮১ চনৰ পিছতহে হৈছিল। কয়লা খননৰ সূচনা অসমৰ অৰ্থনৈতিক ইতিহাসৰ এক মাইলৰ খুঁটি হিচাপে পৰিগণিত। বৰ্তমান অসমত কয়লা খননৰ কাম নৰ্থ ইষ্ট ক'লফিল্ডছ (ক'ল ইণ্ডিয়া)ৰ দ্বাৰা কৰা হয়।

**অবিভক্ত অসমৰ কয়লাসমৃদ্ধ অঞ্চলসমূহ**

কয়লা সমৃদ্ধ অঞ্চলসমূহক দুটা প্ৰধান ভৌগোলিক গোটত ভাগ কৰিব পাৰি:

**১. উজনি অসম**
**২. মিকিৰ পাহাৰ (কাৰ্বি আংলং)**

অসমৰ কয়লাৰ অনন্য গুণসমূহ হ'ল কম ছাই, কম জলীয় বাষ্প, অধিক ছালফাৰ আৰু অধিক উদ্বায়ী পদাৰ্থ। ১৮২৮ চনত অসমত কয়লা খননৰ প্ৰথম প্ৰচেষ্টা চলাই ব্ৰিটিছ ভূতত্ত্ববিদ চি.এ. ব্ৰুছে। এইচ.বি. মেডলিকটে অসমৰ কয়লা ভাণ্ডাৰসমূহৰ মানচিত্ৰ অংকন কৰিছিল; যি প্ৰধানকৈ উজনি অসমৰ দুই মুখ্য কয়লাক্ষেত্ৰত সীমাবদ্ধ আছিল:

১. মাকুম কয়লা ক্ষেত্ৰ
২. দিল্লী-জয়পুৰ কয়লা ক্ষেত্ৰ

- উজনি অসমৰ কয়লা ক্ষেত্ৰসমূহ: মাকুম কয়লা ক্ষেত্ৰ, দিল্লী-জয়পুৰ কয়লা ক্ষেত্ৰ

### ১৯. উত্তৰ কাৰ্বি আংলং বন্যপ্ৰাণী অভয়াৰণ্য

উত্তৰ কাৰ্বি আংলং বন্যপ্ৰাণী অভয়াৰণ্যখন কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দক্ষিণে এক কৌশলগত স্থানত অৱস্থিত। ই বাৰ্ষিক বানপানীৰ সময়ত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰব্ৰজিত জন্তুবোৰৰ বাবে আশ্ৰয়স্থল হৈ পৰে।

### ২০.অজগৰ বন্যপ্ৰাণী অভয়াৰণ্য

প্ৰস্তাৱিত অজগৰ বন্যপ্ৰাণী অভয়াৰণ্যৰ বনাঞ্চল ভৌগোলিকভাৱে অসমৰ গোৱালপাৰা জিলা আৰু মেঘালয়ৰ উত্তৰ গাৰো পাহাৰৰ মাজৰ প্ৰাণী চলাচল কৰা এক গুৰুত্বপূৰ্ণ অঞ্চলত অৱস্থিত। অজগৰ পাহাৰৰ অৰণ্য অসমৰ ৰাজনৈতিক সীমাৰ সিপাৰে মেঘালয়ৰ বৰচুং পাহাৰীয়া অঞ্চললৈ অবিৰতভাৱে বিস্তৃত হৈ আছে। এই অঞ্চলটো আন বহুতো প্ৰাকৃতিক ৰহস্যৰে ভৰপুৰ। যিকোনো বনাঞ্চলৰ প্ৰাণীকূলে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ বিপৰীতে উদ্ভিদ সম্পদ প্ৰায়ে চকুত নপৰে। যিকোনো বনাঞ্চলৰ উদ্ভিদকূলৰ বৈজ্ঞানিক ভিত্তিত উপলব্ধি সেই অৰণ্যৰ পৰিৱেশতন্ত্ৰৰ কাৰ্যকলাপ বুজি পোৱাৰ ক্ষেত্ৰত এক পূৰ্বচৰ্ত। যিকোনো অৰণ্য বা পৰিৱেশতন্ত্ৰত উদ্ভিদকূল আৰু প্ৰাণীকূল এক জটিল আন্ত:নিৰ্ভৰশীল ভাৰসাম্যৰে মাজেৰে বৰ্তি থাকে। আধুনিক যুগৰ বেছিভাগ সংৰক্ষণ আৰ্হিয়ে বৃহৎ উদ্ভিদ (megafauna) সংৰক্ষণৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰে।

### ২১.পবা সংৰক্ষিত বনাঞ্চল

পবা সংৰক্ষিত বনাঞ্চল অসমৰ ধেমাজি জিলাৰ জোনাই মহকুমাৰ অধীনত এক অতি সংকটাপন্ন ভৌগোলিক ক্ষেত্ৰত অৱস্থিত। এই বনাঞ্চলখন ১৯২৪ চনত সৃষ্টি কৰা হৈছিল আৰু ই ১০,২২১ হেক্টৰ এলেকা আৱৰি আছে। উত্তৰ-পূব ভাৰতৰ এক সমৃদ্ধ বৰ্ষাৰণ্য, উদ্ভিদ আৰু প্ৰাণীৰ প্ৰাচুৰ্যই পবাক এক জৈৱ বৈচিত্ৰ্যৰ হটস্পট কৰি তুলিছে।

এই বনাঞ্চলত ৩৬০০ মি.মি.ৰ পৰা ৪০০০ মি.মি. পৰ্যন্ত বৰষুণ হয়; য'ত গ্ৰীষ্মকালত সৰ্বোচ্চ তাপমাত্ৰা ৩৫°C আৰু শীতকালত সৰ্বনিম্ন ৭.০°C দেখা যায়। **অৰুণাচল প্ৰদেশৰ পাদদেশ** আৰু **হিমালয়** সংৰক্ষিত বনাঞ্চলখনৰ উত্তৰে অৱস্থিত আৰু পূব আৰু দক্ষিণ দিশত ক্ৰমে চিয়াং, দিবাং আৰু লোহিত নদীৰ সংগমস্থল আছে। পবা সংৰক্ষিত বনাঞ্চলখন অৰুণাচল প্ৰদেশৰ পাদদেশ আৰু ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানক সংযোগ কৰা এক গুৰুত্বপূৰ্ণ হস্তী কৰিডʼৰ হিচাপেও সমাদৃত।

### ২২. পঞ্চৰত্ন

প্ৰস্তাৱিত পঞ্চৰত্ন বন্যপ্ৰাণী অভয়াৰণ্য গোৱালপাৰা জিলাত প্ৰায় ৯৭৬ হেক্টৰ এলেকাত বিস্তৃত; যি পশ্চিম মেঘালয়ৰ গাৰো পাহাৰৰ কাষতে অৱস্থিত; যাৰ ফলত দুয়োখন ৰাজ্যৰ মাজত অঞ্চলটোৰ মাজেৰে বন্যহস্তীৰ মুক্ত চলাচল সম্ভৱ।

## অসমৰ ৮ম ৰাষ্ট্ৰীয় উদ্যান: (ছিখনা জহ্লাওঁ ৰাষ্ট্ৰীয় উদ্যান)

- ২০২৪ চনৰ ১৫ আগষ্টত ৭৮ সংখ্যক স্বাধীনতা দিৱসৰ ভাষণত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চিৰাং আৰু কোকৰাঝাৰ জিলাৰ ইণ্ডো-ভূটান সীমান্তত অৱস্থিত ৩২১.৯০ বৰ্গ কি.মি. ক্ষেত্ৰফলৰ চিৰাং-ৰিপু সংৰক্ষিত বনাঞ্চলক ছিখনা জহ্লাওঁ ৰাষ্ট্ৰীয় উদ্যান হিচাপে স্বীকৃতি দিয়াৰ কথা ঘোষণা কৰে।
- এই নতুন ৰাষ্ট্ৰীয় উদ্যানখন অসমৰ বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিঅ'ন (BTR)ত, সৰলভাঙা নদীৰ (স্থানীয়ভাৱে স্বৰমঙা নামেৰে জনাজাত) সিপাৰে ৰাইমনা ৰাষ্ট্ৰীয় উদ্যানৰ পূৰ্বাংশৰ গাতে লাগি আছে।
- উদ্যানখনৰ নাম ছিখনা জহ্লাওঁ নামৰ এজন কিংবদন্তি বড়ো বীৰৰ নামেৰে ৰখা হৈছে; যাক জাওলিয়া দেৱান নামেৰে জনা যায়। তেওঁ এই অঞ্চলটো শাসন কৰিছিল আৰু ১৮৬৪-৬৬ চনৰ আশে-পাশে ভূটান আৰু

**Official List of Geographical Indications (GI) from Assam (Updated 2025)**

| Product Name | Category | About the Product |
|---|---|---|
| Muga Silk of Assam | Handicraft | The 'Golden Silk' produced by the semi-domesticated silkworm Antheraea assamensis. It is naturally golden-yellow, highly durable, and endemic to the Brahmaputra Valley. |
| Muga Silk of Assam (Logo) | Handicraft | A registered logo to visually certify the authenticity of Muga silk products, countering adulteration with Tussar silk. |
| Assam (Orthodox) Tea | Agricultural | Premium full-leaf black tea known for its strong, malty flavor and bright color. Processed using traditional methods (rolling/fermenting) rather than CTC. |
| Assam Karbi Anglong Ginger | Agricultural | Grown by tribal communities in the Karbi Anglong hills. Known for its organic cultivation, low fiber, and high pungency. |
| Tezpur Litchi | Agricultural | A superior quality litchi from the Tezpur region, distinguished by its fleshy pulp, small seed, and attractive red color. |
| Joha Rice of Assam | Agricultural | A distinctive class of aromatic winter rice. It has a unique savory aroma and buttery taste, used primarily for desserts and ceremonial meals. |
| Boka Chaul | Agricultural | Magic Rice' or 'Mud Rice'. A thermo-insensitive variety that requires no cooking; it softens when soaked in cold water. |
| Kaji Nemu | Agricultural | The State Fruit of Assam. An elongated, seedless lemon with a thin rind and a unique, non-acidic aromatic profile. |
| Chokuwa Rice of Assam | Agricultural | A semi-glutinous 'soft rice' variety. It is parboiled and dried, then soaked to be eaten as a traditional snack (Jolpan). |
| Judima | Manufactured | A traditional rice wine brewed by the Dimasa community. It is the first beverage from the Northeast to get a GI tag, made using a specific herb bark (thembra). |
| Gamosa of Assam | Handicraft | The cultural symbol of Assam. A white rectangular handloom cloth with red motifs, used for honor, worship, and daily utility. |
| Singpho Phalap (Singpho Tea) | Agricultural | A traditional tea processed by the Singpho tribe, often compressed into bamboo tubes and smoked (coin tea). |
| Majuli Mask of Assam | Handicraft | Mukha. Traditional masks made of bamboo, clay, and cloth in the Satras of Majuli for use in Neo-Vaishnavite theatre (Bhaona). |
| Assam Majuli Manuscript Painting | Handicraft | Miniature paintings executed on Sanchi (Agarwood) bark, illustrating religious texts in a unique local style. |
| Bodo Dokhona | Handicraft | The traditional draped attire of Bodo women, featuring distinct woven motifs (Agor). |
| Bodo Eri Silk | Handicraft | Ahimsa' or peace silk produced and woven by the Bodo community. Known for its thermal properties (warm in winter, cool in summer). |
| Bodo Jwmgra | Handicraft | A traditional scarf or upper wrap used by Bodo women. |
| Bodo Gamsa | Handicraft | A traditional lower garment (dhoti equivalent) worn by Bodo men, noted for its durability and specific colors (green/orange). |
| Bodo Aronai | Handicraft | A small, ornate scarf/muffler. Historically a warrior's belt, now a symbol of honor and welcome in Bodo culture. |